# অসম লোকসেৱা আয়োগ

**জৱাহৰনগৰ, খানাপাৰা, গুৱাহাটী-২২**

****

**বিজ্ঞাপন নং ২/২০১৪**

নং৭পিএচচি/ই–৮/২০১৩-২০১৪ দিনাংক গুৱাহাটী ৩ এপ্ৰিল, ২০১৪

আয়োগৰ ৱেবচাইত : **www.apsc.nic.in**

অনলাইন পদ্ধতিৰ আবেদন পত্ৰ দাখিলৰ বাবে ৱেবচাইত : www.apsc.online.gov.in.

অসম লোকসেৱা আয়োগে নিম্নোল্লেখিত পদসমূহ পূৰণৰ কাৰণে ২০১৪ চনৰ সংযুক্ত প্ৰতিযোগিতামূলক (মূল) পৰীক্ষাৰ বাবে প্ৰাৰ্থী নিৰ্বাচনৰ কাৰণে "অসম লোকসেৱা সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা বিধি, ১৯৮৯" অনুসৰি প্ৰাৰম্ভিক পৰীক্ষা অনুষ্ঠিত কৰিব।

| ক্ৰ. নং | পদৰ নাম | অসংৰক্ষিত শ্ৰেণীৰ বাবে | | অন্যান্য পিছপৰা জাতিৰ বাবে সংৰক্ষিত | | অনুসূচীত জাতিৰ বাবে সংৰক্ষিত | | অনুসূচীত জনজাতি (ভৈয়াম)ৰ বাবে সংৰক্ষিত | | অনুসূচীত জনজাতি (পাৰ্বত্য)ৰ বাবে সংৰক্ষিত | | সৰ্বমুঠ | | শাৰীৰিকভাৱে অক্ষম লোকৰ বাবে সংৰক্ষিত আৰু অক্ষমতাৰ ধৰণ |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ | ১২ | ১৩ | ১৪ |
| | | মুঠ | মহিলাৰ বাবে সংৰক্ষিত | মুঠ | মহিলাৰ বাবে সংৰক্ষিত | মুঠ | মহিলাৰ বাবে সংৰক্ষিত | মুঠ | মহিলাৰ বাবে সংৰক্ষিত | মুঠ | মহিলাৰ বাবে সংৰক্ষিত | মুঠ | মহিলাৰ বাবে সংৰক্ষিত | |
| ১ | অসম অসামৰিক সেৱা(জুনিয়ৰ গ্ৰেড) | ৪৯ | ১৪ | ৩১ | ৯ | ০ | ০ | ৮ | ২ | ২ | ০ | ৯০ | ২৫ | ৩(লোকোমটৰ ডিজএবল) |
| ২ | অসম পুলিচ সেৱা | ২৪ | ৭ | ১১ | ৩ | ৫ | ১ | ৫ | ১ | ২ | ০ | ৪৭ | ১২ | ০ |
| ৩ | শ্ৰম বিষয়া | ২ | ০ | ১ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ৩ | ০ | ০ |
| ৪ | কৰ অধীক্ষক | ৪ | ১ | ৩ | ১ | ০ | ০ | ০ | ০ | ০ | ০ | ৭ | ২ | ০ |
| ৫ | আবকাৰী অধীক্ষক | ০ | ০ | ৩ | ১ | ০ | ০ | ০ | ০ | ০ | ০ | ৩ | ১ | ০ |
| ৬ | জিলা পৰিবহণ বিষয়া | ৫ | ১ | ১ | ০ | ০ | ০ | ০ | ০ | ১ | ০ | ৭ | ১ | ০ |
| ৭ | শ্ৰম পৰিদৰ্শক | ০ | ০ | ০ | ০ | ১ | ০ | ০ | ০ | ০ | ০ | ১ | ০ | ০ |
| ৮ | কৰ পৰিদৰ্শক | ১০ | ৩ | ৭ | ২ | ১ | ০ | ২ | ০ | ১ | ০ | ২১ | ৫ | ১ (ভিজুৱেলী ইমপেয়াৰড) |
| ৯ | আবকাৰী পৰিদৰ্শক | ১ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ১ | ০ | ০ |
| | মুঠ | ৯৫ | ২৬ | ৫৭ | ১৬ | ৭ | ১ | ১৫ | ৩ | ৬ | ০ | ১৮০ | ৪৬ | ৪ |

অনুসূচীত জাতিৰ বাবে সংৰক্ষিত পদসমূহ পূৰণ হৈ থকাৰ বাবে অসম অসামৰিক সেৱা (জুনিয়ৰ গ্ৰেড) ত অনুসূচীত জাতিৰ বাবে পদৰ সংৰক্ষণ নাই।

**১. প্ৰাৰম্ভিক আৰু মূল পৰীক্ষাৰ কেন্দ্ৰ আৰু তাৰিখঃ**

(ক) প্ৰাৰম্ভিক পৰীক্ষাৰ কেন্দ্ৰসমূহ- বঙাইগাও, বৰপেটা, ধুবুৰী, ডিব্ৰুগড়, ধেমাজি, ডিফু, গোলাঘাট, গোৱালপাৰা, হাফলঙ, যোৰহাট, কোকৰাঝাৰ, কৰিমগঞ্জ, মঙ্গলদৈ, মৰিগাওঁ , নগাওঁ, নলবাৰী, উত্তৰ-লক্ষীমপুৰ, শিলচৰ, শিৱসাগৰ, তেজপুৰ, তিনিচুকীয়া আৰু গুৱাহাটী।

(খ) সংযুক্ত প্ৰতিযোগিতামূলক (মূল) পৰীক্ষা কেৱল গুৱাহাটীতহে অনুষ্ঠিত কৰা হব।

(গ) প্ৰাৰম্ভিক আৰু মূল পৰীক্ষাৰ তাৰিখ আৰু সূচী উপযুক্ত সময়ত ঘোষণা কৰা হব।

(ঘ) পৰীক্ষাৰ তাৰিখ আৰু সূচী ঘোষণা কৰাৰ পিছতো প্ৰয়োজনীয় সালসলনি কৰাৰ অধিকাৰ আয়োগৰ থাকিব । প্ৰাৰ্থীসকলক তেওঁলোকৰ পৰীক্ষাকেন্দ্ৰ আৰু সময়সূচী আয়োগৰ ৱেবচাইত যোগে জনোৱা হব। পৰীক্ষাকেন্দ্ৰ সলনিৰ বাবে কোনো আবেদন আয়োগৰ দ্বাৰা গ্ৰাহ্য কৰা নহব।

**২.** প্ৰত্যেকটো পদ আৰু সেৱাৰ বাবে দৰমহা গাথনিঃ-

| ক্ৰ.নং | পদৰ নাম | দৰমহাৰ নিৰিখ + গ্ৰেডপে' + অসম চৰকাৰৰ চাকৰিয়াল সকলৰ অন্যান্য ভাট্টা সমূহ(প্ৰতিমাহে) |
|---|---|---|
| ১ | অসম অসামৰিক সেৱা (জুনিয়ৰ গ্ৰেড) | দৰমহাৰ নিৰিখঃ ১২,৫০০ - ৪০,০০০ গ্ৰেড পে' ৫৪০০ পে বেন্ড- পিবি ৪ |
| ২ | অসম পুলিচ সেৱা | দৰমহাৰ নিৰিখঃ ১২,০০০ - ৪০,০০০ গ্ৰেড পে' ৫৪০০ পে বেন্ড- পিবি ৪ |
| ৩ | শ্ৰম বিষয়া | ঐ |
| ৪ | কৰ অধীক্ষক | ঐ |
| ৫ | আবকাৰী অধীক্ষক | ঐ |
| ৬ | জিলা পৰিবহন বিষয়া | ঐ |
| ৭ | শ্ৰম পৰিদৰ্শক | দৰমহাৰ নিৰিখঃ ৮০০০ - ৩৫০০০ গ্ৰেড পে' ৪৩০০ পে বেন্ড- পিবি ৩ |
| ৮ | কৰ পৰিদৰ্শক | ঐ |
| ৯ | আবকাৰী পৰিদৰ্শক | ঐ |

**৩. আবেদন কৰাৰ পদ্ধতিঃ**

প্ৰাৰম্ভিক পৰীক্ষাৰ বাবে প্ৰাৰ্থীসকলে কেৱল অনলাইন যোগেহে (Online Mode) আবেদন কৰিব পাৰিব । অন্য কোনো ধৰণৰ আবেদন গ্ৰহণ কৰা নহব।

(ক) 'অনলাইন' প্ৰ-পত্ৰ পূৰণৰ বাবে যাবতীয় দিহা-পৰামৰ্শ আয়োগৰ ৱেবচাইত www.apsc.nic.in ত উপলব্ধ হ'ব । প্ৰাৰ্থীসকলক উক্ত পৰামৰ্শসমূহ সতৰ্কতাৰে পঢ়ি চাই প্ৰ-পত্ৰ পূৰণ কৰিবলৈ কোৱা হ'ল।

(খ) প্ৰাৰ্থীসকলে কোনো ধৰণৰ নথি, যেনে 'অনলাইন' আবেদন প্ৰ-পত্ৰ, পঞ্জীয়ন পত্ৰ, বেংক চালান, জাৰ্নেল নম্বৰ ভৰ্তিকৰণৰ নথি, কনফাৰ্মেচন শ্লিপ ইত্যাদি আয়োগৰ কাৰ্য্যালয়লৈ পঠাব নালাগে ।

(গ) আবেদন পত্ৰ সমূহ কেৱল 'অনলাইন' যোগেহে দাখিল হোৱা বাবে যিসকল প্ৰাৰ্থীয়ে ইতিমধ্যে কোনো চাকৰিত নিয়োজিত হৈ আছে তেওঁলোকে সংশ্লিষ্ট কৰ্তৃপক্ষৰ জৰিয়তে আবেদন প্ৰেৰণ কৰাৰ অৱকাশ নাথাকে । গতিকে তেনে প্ৰাৰ্থীসকলে তেওঁলোকৰ সংশ্লিষ্ট কৰ্তৃপক্ষক লিখিত ভাৱে জনাব লাগিব ।

(ঘ) ইতিমধ্যে কোনো সেৱাত নিয়োজিত হৈ থকা প্ৰাৰ্থীসকলক জনোৱা যায় যে সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা (প্ৰাৰম্ভিক আৰু মূল)ত অৱতীৰ্ণ হোৱাৰ বাবে আৰু পৰীক্ষাত কৃতকাৰ্য হলে প্ৰাৰ্থীয়ে চাকৰিত যোগদান কৰাৰ ক্ষেত্ৰত অনুমতি প্ৰদান কৰাৰ কৰ্তৃত্ব কেৱল প্ৰাৰ্থীজনে কাম কৰি থকা বিভাগ তথা প্ৰতিষ্ঠানৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰহে আছে । তেনে কৰ্তৃপক্ষৰ সন্মতি আদায় কৰাৰ দায়িত্ব প্ৰাৰ্থীৰ নিজা, এই ক্ষেত্ৰত আয়োগৰ কোনো ধৰণৰ দায়বদ্ধতা নাথাকিব।

(ঙ) প্ৰ-পত্ৰ সমূহ অনলাইন যোগে কেৱল ২০১৪ চনৰ ১০ এপ্ৰিল তাৰিখৰ নিশা ১২.০০বজাৰ পৰা ২০১৪ চনৰ ১০ মে তাৰিখৰ নিশা ১২.০০ বজালৈকে পূৰণ কৰিব পাৰিব । উক্ত সময় উকলি যোৱাৰ পিচত 'অনলাইন' যোগাযোগ বিচ্ছিন্ন কৰা হব যাৰ বাবে কোনো প্ৰ-পত্ৰ পূৰণ কৰা সম্ভৱ নহব ।

(চ) শাৰীৰিকভাৱে অক্ষম প্ৰাৰ্থীয়ে তেওঁৰ হৈ পৰীক্ষাত লিখাৰ বাবে লিখক (Scribe)ৰ প্ৰয়োজন বোধ কৰিলে প্ৰ-পত্ৰ অনলাইন যোগে পূৰণ কৰাৰ অন্তিম তাৰিখৰ পৰা এমাহৰ ভিতৰত আয়োগক নিম্নলিখিত e-mail (ই-মেইল) যোগে আবেদন কৰিব লাগিব। (আয়োগৰ ই-মেইল apsc-asm@nic.in)

**টোকা** ঃ প্ৰাৰ্থীসকলক মাত্ৰ এখনহে প্ৰ-পত্ৰ পূৰণ কৰিবলৈ কোৱা হল ; কিন্তু যদি অনিবাৰ্য কাৰণবশতঃ কোনো প্ৰাৰ্থীয়ে একাধিক প্ৰ-পত্ৰ পূৰণ কৰিবলগীয়া হয়, তেন্তে তেওঁ জ্ঞাত হোৱাৰ প্ৰয়োজন যে তেওঁৰ আবেদন পত্ৰ সমূহৰ সৰ্ব্বোচ্চ পঞ্জীয়ন নম্বৰৰ (একেবাৰে শেষত পূৰণ কৰা) প্ৰ-পত্ৰ খনহে গ্ৰাহ্য কৰা হব । প্ৰতিখন প্ৰ-পত্ৰৰ বাবে পৰীক্ষাৰ মাচুল পৃথককৈ জমা দিব লাগিব।

**৪/ প্ৰাৰম্ভিক পৰীক্ষাৰ বাবে মাচুলৰ নিৰিখঃ**

(ক) প্ৰ-পত্ৰৰ বাবে কোনো মাচুল নালাগে।

(খ) **পৰীক্ষাৰ মাচুল**ঃ অনুসূচীত জাতি, অনুসূচীত জনজাতি (ভৈয়াম) আৰু অনুসূচীত জনজাতি (পাৰ্বত্য) ৰ বাবে ২৫.০০টকা। আন প্ৰাৰ্থীসকলৰ বাবে ৫০.০০ টকা পৰীক্ষা মাচুল কেৱল ভাৰতীয় ষ্টেট বেংকত e-challan (ই-চালান) যোগে জমা দিব লাগিব।

(গ) ভাৰতীয় ষ্টেট বেংকৰ দ্বাৰা উৎপাদিত জাৰ্নেল নম্বৰটো আয়োগৰ অনলাইন প্ৰ-পত্ৰত আপলোড কৰিব লাগিব।

(ঘ) পৰীক্ষাৰ মাচুল ঘূৰাই দিয়া নহব।

(ঙ) মূল পৰীক্ষাৰ মাচুল উপযুক্ত সময়ত ঘোষণা কৰা হব।

**টোকা** ঃ পৰীক্ষাৰ নিৰ্ধাৰিত মাচুল ই-চালান (e-challan) যোগে জমা নিদিলে নাইবা ষ্টেট বেংকৰ উৎপাদিত জাৰ্নেল নম্বৰটো প্ৰাৰ্থীজনৰ অনলাইন প্ৰ-পত্ৰত আপলোড কৰি আয়োগৰ ৱেবচাইতত পুনৰ দাখিল নকৰিলে আবেদন সমূহ পোনপটীয়াকৈ নাকচ কৰা হব ।***(অনলাইন প্ৰ-পত্ৰ পূৰণৰ নিৰ্দ্দেশাৱলী দষ্টব্য)***

**(৫) যোগ্যতা ঃ**

(ক) প্ৰাৰ্থী ভাৰতীয় নাগৰিক হব লাগিব।

(খ) প্ৰাৰ্থীৰ বয়স ১-১-২০১৪ তাৰিখত নিম্নতম ২১ বছৰ আৰু উৰ্ধতম ৩৮ বছৰ হব লাগিব । অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ প্ৰাৰ্থীসকলৰ বাবে বয়সৰ উচ্চসীমা ৫ বছৰ ৰেহাই দিয়া হব । শাৰীৰিকভাৱে অক্ষম প্ৰাৰ্থীসকলৰ ক্ষেত্ৰতো বয়সৰ উচ্চ সীমা ৫ বছৰ ৰেহাই দিয়া হব । স্বীকৃতিপ্ৰাপ্ত শিক্ষা পৰিষদ/সংসদৰ দ্বাৰা প্ৰদান কৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰৱেশ পত্ৰ/প্ৰমাণ পত্ৰত উল্লেখ কৰা তথ্যৰ ভিত্তিত বয়স গণনা কৰা হব। ইয়াৰ বাহিৰে অন্য কোনো নথিপত্ৰ গ্ৰহণযোগ্য নহব।

(গ) প্ৰাৰ্থী কেন্দ্ৰীয় নাইবা ৰাজ্যিক চৰকাৰৰ দ্বাৰা প্ৰণীত আইনৰ অধীনত সন্নিবিষ্ট বিশ্ববিদ্যালয়, সংসদৰ দ্বাৰা প্ৰণীত আইনৰ দ্বাৰা প্ৰতিষ্ঠিত শিক্ষানুষ্ঠান বা

বিশ্ববিদ্যালয় অনুদান আয়োগ আইন ১৯৫৬ ৰ ধাৰা ৩ মতে ঘোষণা কৰা ডীমড (Deemed) বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰদত্ত স্নাতক ডিগ্ৰীধাৰী বা চৰকাৰে সমপৰ্য্যায়ৰ বুলি ঘোষণা কৰা শিক্ষাগত অৰ্হতা থাকিব লাগিব।

(ঘ) প্ৰ-পত্ৰ দাখিলৰ সময়ত প্ৰাৰ্থীসকলৰ নিৰ্ধাৰিত শিক্ষাগত অৰ্হতা থাকিব লাগিব।

(ঙ) নিৰ্ধাৰিত শিক্ষাগত অৰ্হতাৰ বাবে প্ৰ-পত্ৰ দাখিলৰ তাৰিখত পৰীক্ষাৰ ফলাফলৰ বাবে অপেক্ষাৰত প্ৰাৰ্থীয়ে আবেদন কৰাৰ প্ৰয়োজন নাই ।

(চ) শাৰীৰিকভাৱে অক্ষম প্ৰাৰ্থীয়ে প্ৰ-পত্ৰ পূৰণৰ পূৰ্বে বিজ্ঞাপনত উল্লেখিত পদ/সেৱা সমূহ কোন শ্ৰেণীৰ অক্ষম লোকৰ বাবে সংৰক্ষিত তাক নিশ্চিত কৰি আবেদনকাৰী সেই শ্ৰেণীৰ অন্তৰ্ভুক্ত হয় নে নহয় সেয়া নিশ্চিত হৈ লব লাগিব আৰু সেইমৰ্মে মূল পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণ কৰাৰ সময়ত সংৰক্ষিত পদৰ বিপৰীতে প্ৰাৰ্থীয়ে পদ/সেৱাৰ অগ্ৰাধিকাৰ ব্যক্ত কৰিব লাগিব।

**৬/ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ স্তৰঃ**

সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা দুটা পৰ্যায়ত অনুষ্ঠিত হব-

(১) প্ৰাৰম্ভিক পৰীক্ষা

(২) মূল পৰীক্ষা (লিখিত পৰীক্ষা আৰু মৌখিক পৰীক্ষা)

**(১) <u>প্ৰাৰম্ভিক পৰীক্ষাঃ</u>**

(ক) প্ৰাৰম্ভিক পৰীক্ষাৰ প্ৰশ্ন কাকত দুখন হব আৰু দুয়োখনেই বহু সমাধানৰ মাজৰ পৰা এটা শুদ্ধ উত্তৰ নিৰ্বাচন কৰিবলগীয়া বস্তুনিষ্ঠ প্ৰশ্ন কাকত হব । পৰীক্ষাৰ সময় ২(দুই) ঘন্টা হব।

| | | | | |
|---|---|---|---|---|
| ১ম কাকত | সাধাৰণ অধ্যয়ন | নম্বৰ -২০০ | সময় ২ঘন্টা | বস্তুনিষ্ঠ বহুসমাধান বিশিষ্ট প্ৰশ্নৰ মাজৰ পৰা এটা শুদ্ধ সমাধান নিৰ্বাচন কৰা পদ্ধতিৰ প্ৰশ্ন কাকত |
| ২য় কাকত | তলত দিয়া ঐচ্ছিক বিষয়ৰ তালিকাৰ পৰা যিকোনো এটা বিষয় নিৰ্বাচন কৰি লব লাগিব। | নম্বৰ -২০০ | ঐ | ঐ |

| | | |
|---|---|---|
| **সৰ্ব্বমুঠ** | **নম্বৰ ৪০০** | |

সংযুক্ত প্ৰতিযোগিতামূলক (প্ৰাৰম্ভিক) পৰীক্ষাৰ বাবে তলত উল্লেখ কৰা ঐচ্ছিক বিষয়ৰ তালিকা : (মুঠ ২৮টা বিষয়)

| | |
|---|---|
| কৃষি বিজ্ঞান | ভূগোল |
| নৃতত্ব | ভূতত্ব বিজ্ঞান |
| পশুচিকিৎসা বিজ্ঞান | ভাৰত বুৰঞ্জী |
| উদ্ভিদ বিজ্ঞান | আইন |
| কেমিকেল ইঞ্জিনিয়াৰিং | অঙ্ক শাস্ত্ৰ |
| চিভিল ইঞ্জিনিয়াৰিং | মেকানিকেল ইঞ্জিনিয়াৰিং |
| ৰসায়ন বিজ্ঞান | চিকিৎসা বিজ্ঞান |
| বানিজ্য বিজ্ঞান | দৰ্শন শাস্ত্ৰ |
| কম্পিউটাৰ বিজ্ঞান | পদাৰ্থ বিজ্ঞান |
| অৰ্থনীতি | ৰাজনীতি বিজ্ঞান |
| শিক্ষা | মনোবিজ্ঞান |
| ইলেক্ট্ৰিকেল ইঞ্জিনিয়াৰিং | সমাজ বিজ্ঞান |
| ইলেক্ট্ৰনিকচ | পৰিসংখ্যা বিজ্ঞান |
| মৎস্য বিজ্ঞান | প্ৰাণী বিজ্ঞান |

(খ) প্ৰশ্ন কাকত সমূহ বহু সমাধান বিশিষ্ট বস্তুনিষ্ঠ হব।

(গ) উত্তৰ লিখাৰ বাবে অ এম আৰ (optical marks recognisation) উত্তৰ পত্ৰ যোগান ধৰা হব।

(ঘ) প্ৰাৰ্থীসকলে কেৱল ‘কলা বল পেনহে ’ (Black Ball Pen) ব্যৱহাৰ কৰিব লাগিব।

(ঙ) উত্তৰ বহীত এবাৰ উত্তৰ চিহ্নিত কৰাৰ পিছত তেনে উত্তৰ শুধৰণি কৰাৰ বাবে কোনো ধৰণৰ ৰাসায়নিক দ্ৰব্য, মচিবৰ বাবে অন্যান্য বস্ত বা পদ্ধতিৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে আৰু উত্তৰ পত্ৰত তেনেধৰণৰ চিহ্ন থাকিলে সেই উত্তৰ মূল্যায়ন কৰা নহব।

(চ) এই পৰীক্ষা কেৱল মূল পৰীক্ষাত অৱতীৰ্ণ হবৰ বাবে যোগ্যতামাপক হিচাপে গণ্য কৰা হব।

(ছ) প্ৰাৰম্ভিক পৰীক্ষাত প্ৰাপ্ত নম্বৰ মূল পৰীক্ষাত বিবেচিত নহব।

***ঐচ্ছিক বিষয়ৰ পাঠ্যসূচী-***

(ক) অসমৰ বিশ্ববিদ্যালয় কেইখনৰ স্নাতক পাঠ্যক্ৰম।

(খ) প্ৰাৰম্ভিক পৰীক্ষাৰ পাঠ্যসূচী আয়োগৰ ৱেবচাইত www.apsc.nic.in ত উপলব্ধ হব।

**৬. (২) মূল পৰীক্ষাঃ**

মূল পৰীক্ষা দুটা পৰ্যায়ত অনুষ্ঠিত হব – (ক) লিখিত পৰীক্ষা আৰু (খ) মৌখিক সাক্ষাৎকাৰ

(ক) **লিখিত পৰীক্ষা** ঃ

মুঠ পদৰ ১১ বা ১২ গুণ প্ৰাৰ্থী প্ৰাৰম্ভিক পৰীক্ষাৰ পৰা মূল (লিখিত) পৰীক্ষালৈ নিৰ্বাচন কৰা হব। চৰকাৰৰ নিৰ্ধাৰিত উলম্ব আৰু আনুভৌমিক সংৰক্ষণ নিয়মাৱলী মতে সম্পূৰ্ণ মেধাভিত্তিত প্ৰাৰ্থী বাচনি কৰা হব।

(খ) লিখিত পৰীক্ষাৰ বাবে প্ৰশ্ন কাকত সমূহ নিম্নোল্লেখিত ধৰণৰ হব। প্ৰতিখন প্ৰশ্ন কাকতৰ সময় ৩ ঘন্টা হব আৰু প্ৰশ্ন সমূহ পৰম্পৰাগত ৰচনাধৰ্মী হব ।

| | | | | |
|---|---|---|---|---|
| সাধাৰণ ইংৰাজী | | | নম্বৰ - ৩০০ | সময়-৩ ঘন্টা |
| সাধাৰণ অধ্যয়ন | | | নম্বৰ - ৩০০ | সময়-৩ ঘন্টা |
| ঐচ্ছিক বিষয় ১ | ১ম কাকত | ঐচ্ছিক পাঠ্য তালিকাৰ পৰা যিকোনো দুটা বিষয় বাছি লব লাগিব। (প্ৰশ্ন কাকত প্ৰত্যেকৰ দুখন থাকিব।) | নম্বৰ - ২০০ | সময়-৩ ঘন্টা |
| | ২য় কাকত | | নম্বৰ - ২০০ | সময়-৩ ঘন্টা |
| ঐচ্ছিক বিষয় ২ | ১ম কাকত | | নম্বৰ - ২০০ | সময়-৩ ঘন্টা |
| | ২য় কাকত | | নম্বৰ - ২০০ | সময়-৩ ঘন্টা |
| মুঠ (লিখিত) | | | নম্বৰ ১৪০০ | |
| মৌখিক পৰীক্ষা | | | নম্বৰ ২০০ | |
| সৰ্ব্বমুঠ | | | নম্বৰ ১৬০০ | |

(গ) মূল পৰীক্ষাৰ বিষয় সমূহৰ পাঠ্যসূচী আয়োগৰ ৱেবচাইত www.apsc.nic.in উপলব্ধ হব।

তলত দিয়া ঐচ্ছিক বিষয়ৰ তালিকাৰ পৰা যিকোনো দুটা বিষয় নিৰ্বাচন কৰি লব লাগিব। প্ৰত্যেক বিষয়ৰ দুখনকৈ প্ৰশ্ন কাকত থাকিব আৰু প্ৰতিখন প্ৰশ্ন কাকত ২০০ নম্বৰৰ হব।

সংযুক্ত প্ৰতিযোগিতামূলক (মূল) পৰীক্ষাৰ বাবে ঐচ্ছিক বিষয়ৰ তালিকা ঃ (মুঠ ২৯টা)

| | |
|---|---|
| কৃষি বিজ্ঞান | ভূতত্ব বিজ্ঞান |
| নৃতত্ব | ইতিহাস |
| পশুপালন আৰু পশুচিকিৎসা বিজ্ঞান | আইন |
| উদ্ভিদ বিজ্ঞান | আধুনিক ভাষা আৰু সাহিত্য (যি কোনো এটা)(১)অসমীয়া (২)বঙালী (৩)ইংৰাজী সাহিত্য (৪) হিন্দী (৫) বড়ো (৬) ধ্ৰূপদী ভাষা – (ক) আৰবী (খ) পাৰ্চিয়ান (গ) সংস্কৃত |
| কেমিকেল ইঞ্জিনিয়াৰিং | অঙ্ক শাস্ত্ৰ |
| চিভিল ইঞ্জিনিয়াৰিং | মেকানিকেল ইঞ্জিনিয়াৰিং |
| ৰসায়ন বিজ্ঞান | চিকিৎসা বিজ্ঞান |
| বানিজ্য বিজ্ঞান আৰু হিচাব প্ৰণালী | দৰ্শন শাস্ত্ৰ |
| কম্পিউটাৰ বিজ্ঞান | পদাৰ্থ বিজ্ঞান |
| অৰ্থনীতি | ৰাজনীতি বিজ্ঞান |
| শিক্ষা | মনোবিজ্ঞান |
| ইলেক্ট্ৰিকেল ইঞ্জিনিয়াৰিং | সমাজ বিজ্ঞান |
| ইলেক্ট্ৰনিকচ | পৰিসংখ্যা বিজ্ঞান |
| মৎস্য বিজ্ঞান | প্ৰাণী বিজ্ঞান |
| ভূগোল বিজ্ঞান | |

কোনো প্ৰাৰ্থীয়ে নিম্নোল্লেখিত বিষয় সমূহৰ দুয়োটা বিষয় একেলগে বাচনি কৰিব নোৱাৰিব। দুটা বিষয়ৰ পৰা এটা বিষয়হে বাছনি কৰিব পাৰিব।

(ক) নৃতত্ব আৰু সমাজ বিজ্ঞান ।

(খ) গণিত আৰু পৰিসংখ্যা বিজ্ঞান।

(গ) দৰ্শন আৰু মনোবিজ্ঞান।

(ঘ) কৃষিবিজ্ঞান আৰু পশুচিকিৎসা বিজ্ঞান।

(ঙ) একাধিক ইঞ্জিনিয়াৰিং বিষয়।

**(খ) মৌখিক সাক্ষাৎকাৰ ঃ**

(ক) মূল লিখিত পৰীক্ষাৰ ফলাফলৰ ওপৰত ভিত্তি কৰি বিজ্ঞাপনত ঘোষিত মুঠ খালী পদৰ দুগুণ প্ৰাৰ্থীক মৌখিক পৰীক্ষালৈ মতা হব । মৌখিক পৰীক্ষালৈ কৰা বাছনি সম্পূৰ্ণভাৱে চৰকাৰৰ আনুভৌমিক আৰু উলম্ব সংৰক্ষণ বিধি অনুযায়ী মেধা ভিত্তিত কৰা হব।

(খ) মৌখিক পৰীক্ষা ২০০ নম্বৰৰ হব আৰু কোনো যোগ্যতা মাপক নম্বৰৰ নিৰিখ নাথাকিব।

(গ) আয়োগে অসম চৰকাৰৰ দ্বাৰা নিয়োজিত বিশেষজ্ঞৰ সহযোগত মৌখিক পৰীক্ষা অনুষ্ঠিত কৰিব।

(ঘ) মৌখিক পৰীক্ষাত প্ৰাপ্ত নম্বৰ ইতিমধ্যে পোৱা লিখিত পৰীক্ষাৰ নম্বৰৰ লগত যোগ কৰা হব আৰু প্ৰাৰ্থীৰ স্থান প্ৰাপ্ত মুঠ নম্বৰৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ কৰা হব।

(ঙ) আয়োগে বিভিন্ন পদৰ বাবে বিজ্ঞাপনত উল্লেখিত পদৰ সমসংখ্যক প্ৰাৰ্থীহে চূড়ান্তভাৱে চুপাৰিশ কৰিব।

(চ) প্ৰাৰ্থীসকলে বিভিন্ন পদৰ বাবে মূল পৰীক্ষাৰ প্ৰ-পত্ৰত উল্লেখ কৰা অগ্ৰাধিকাৰৰ ক্ৰম অনুযায়ী সম্পুৰ্ণ মেধাৰ ভিত্তিত তেওঁলোকৰ চুপাৰিশ আগবঢ়োৱা হব।

(ছ) প্ৰাৰ্থীয়ে প্ৰ-পত্ৰত অগ্ৰাধিকাৰৰ ভিত্তিত উল্লেখ নকৰা কোনো পদৰ বাবে আয়োগে চুপাৰিশ নকৰিব।

**(৭) প্ৰৱেশ পত্ৰ ঃ**

(ক) উপযুক্ত প্ৰাৰ্থীসকলৰ বাবে নাম, ৰোল নং আৰু ফটোযুক্ত প্ৰৱেশ পত্ৰৰ লগতে উপস্থিতি পত্ৰও আয়োগৰ ৱেবচাইতত আপলোড কৰি দিয়া হব।

(খ) কেৱল প্ৰৱেশ পত্ৰ প্ৰদানে এইটো নুসূচায় যে আয়োগে চূড়ান্তভাৱে প্ৰাৰ্থীজনৰ প্ৰাৰ্থীত্ব গ্ৰহণ কৰিছে। প্ৰাৰ্থীসকলে মনত ৰাখিব লাগিব যে তেওঁলোকৰ যোগ্যতা সম্পৰ্কীয় বিষয়বোৰ আয়োগে মূল পৰীক্ষাত কৃতকাৰ্য হোৱাৰ পাচতহে পৰীক্ষা কৰিব ।

(গ) প্ৰাৰ্থীসকলে পৰীক্ষাগৃহত নিজৰ ফটোযুক্ত পৰিচয় পত্ৰ যেনে- পেনকাৰ্ড, ড্ৰাইভিং লাইচেঞ্চ, ভোটাৰ পৰিচয় পত্ৰ, চৰকাৰ নাইবা ৰাজহুৱা খন্ডৰ প্ৰতিষ্ঠানৰ দ্বাৰা প্ৰদত্ত পৰিচয় পত্ৰ দেখুৱাব লাগিব।

(ঘ) কোনো প্ৰাৰ্থীৰ উপযুক্ত যোগ্যতা নথকাৰ কোনো তথ্য ধৰা পৰিলে তেনে প্ৰাৰ্থীৰ প্ৰাৰ্থীত্ব নাকচ কৰাৰ সম্পূৰ্ণ অধিকাৰ আয়োগৰ থাকিব। প্ৰাৰ্থীয়ে প্ৰ-পত্ৰত উল্লেখ কৰা কোনো তথ্য মিছা বুলি প্ৰতিপন্ন হলে তেনে প্ৰাৰ্থীৰ বিৰুদ্ধে আইনগত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হব।

(ঙ) প্ৰাৰ্থীসকলৰ পৰীক্ষাত প্ৰৱেশৰ যোগ্যতা নিৰ্ণয় অথবা অন্য ক্ষেত্ৰত আয়োগৰ সিদ্ধান্তই চূড়ান্ত হব।

প্ৰাৰ্থীয়ে প্ৰত্যক্ষ বা পৰোক্ষাভাৱে অনুগ্ৰহ লাভৰ বাবে প্ৰচেষ্টা চলালে তেওঁৰ প্ৰাৰ্থীত্ব নাকচ কৰা হব।

**অনলাইন (online mode) প্ৰ-পত্ৰ পূৰণৰ পৰামৰ্শাৱলী ঃ**

অনলাইন যোগে আবেদন কৰাৰ আগতে প্ৰাৰ্থীসকলক তলৰ বিষয়সমূহৰ ওপৰত মনোযোগ দিবলৈ পৰামৰ্শ দিয়া হল।

(ক) সংযুক্ত প্ৰতিযোগিতামূলক (প্ৰাৰম্ভিক) পৰীক্ষাৰ বিজ্ঞাপন নং ০২/২০১৪ সতৰ্কতাৰে পঢ়ি চাওক।

(খ) প্ৰাৰ্থীৰ এখন পাৰ্চপৰ্ট জোখৰ ৰঙীন (বেকগ্ৰাউণ্ড বগা) ফটো আৰু প্ৰাৰ্থীৰ চহীৰ নমুনা JPEG নাইবা PNG ফৰমেটত স্কেন (Scan) (Digital) কৰি অনলাইন আবেদন দাখিল কৰাৰ সময়ত লগত ৰাখিব। ফটোখন ৫০ KB আৰু চহীৰ নমুনা ২০ KB ৰ অধিক জোখৰ হব নালাগিব। অনলাইন আবেদন পূৰণ সম্পূৰ্ণ কৰাৰ পিছত প্ৰাৰ্থীৰ ফটো আৰু চহীৰ নমুনা আপলোড (Upload) নকৰালৈকে অনলাইন আবেদন পত্ৰ পঞ্জীয়ন ভুক্ত নহব।

(গ) অনলাইন আবেদন পত্ৰ শুদ্ধভাৱে পূৰণ কৰাৰ বাবে শিক্ষাগত অৰ্হতা/অভিজ্ঞতা/ব্যক্তিগত সম্পূৰ্ণ তথ্য লগত ৰাখিব ।

**আবেদন কৰাৰ প্ৰণালী ঃ**

**১নং স্তৰ** – অনলাইন প্ৰ-পত্ৰ পূৰণ আৰু দাখিলকৰণ ঃ

১/ প্ৰাৰ্থীসকলে অসম লোকসেৱা আয়োগৰ ৱেবচাইত www.apsc.nic খুলিব লাগিব। আৰু তাৰ পিছত অনলাইন আবেদন দাখিলৰ বাবে www.online.gov.in লিংকলৈ যাব লাগিব।

২/ প্ৰাৰ্থীসকলে বিজ্ঞাপনৰ 'apply now' লিংক ক্লিক কৰিলে Declaration page টো দেখা পাব। প্ৰাৰ্থীসকলক উক্ত পৃষ্ঠাৰ ঘোষণা সম্পৰ্কীয় কথাখিনি সতৰ্কতাৰে পঢ়ি চাবলৈ কোৱা হল। প্ৰাৰ্থীসকলে Check Box ত 'I Agree' click কৰি নিজৰ সন্মতি প্ৰদান কৰিব লাগিব। তাত উল্লেখিত চৰ্তসমূহৰ প্ৰতি সন্মতি প্ৰদান নকৰা কোনো প্ৰাৰ্থীয়ে online আবেদন পূৰণ কৰিব নোৱাৰিব।

৩. অনলাইন আবেদন পূৰণ কৰাৰ বাবে প্ৰাৰ্থীয়ে এবাৰত ৩০ মিনিট সময় পাব, গতিকে প্ৰাৰ্থীসকলক উক্ত সময়ৰ ভিতৰতেই আবেদন পত্ৰ পূৰণ, ফটো আৰু চহীৰ নমুনা Upload কৰিবলৈ কোৱা হল। উক্ত নিৰ্দ্ধাৰিত সময় শেষ হোৱাৰ পিছত Link বন্ধ হৈ যাব আৰু প্ৰাৰ্থীসকলে পুনৰ নতুনকৈ আবেদন প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগিব।

৪. প্ৰাৰ্থীসকলে এবাৰ প্ৰ-পত্ৰত প্ৰয়োজনীয় তথ্য সমূহ পূৰণ কৰাৰ পিছত ‘preview and submit’ বুটাম click কৰিব লাগিব। তেতিয়া আপোনাৰ ‘কম্পিউটাৰত’ আপুনি দাখিল কৰা সকলো তথ্য আপোনাৰ পুনৰ নিৰীক্ষণৰ বাবে উপলব্ধ হব। এই পৃষ্ঠাৰ

নিম্ন ভাগত এটা edit বুটাম দিয়া আছে যাৰ দ্বাৰা আপুনি ইতিমধ্যে পূৰণ কৰা তথ্য শুধৰণি কৰিব পাৰিব। প্ৰাৰ্থীসকলক দাখিল কৰা সকলো তথ্য পুংখানুপুংখ ৰূপে পৰীক্ষা কৰি চাই সকলো তথ্য শুদ্ধভাৱে দাখিল কৰা হৈছে বুলি নিশ্চিত হবলৈ কোৱা হল ।

৫. সকলো তথ্য পুনৰীক্ষণ কৰাৰ পিছত প্ৰাৰ্থীয়ে ইতিমধ্যে scan কৰা ফটোগ্ৰাফ আৰু চহীৰ নমুনা আপলোড কৰিব লাগিব। দাখিল কৰিবলগীয়া ফটো আৰু চহীৰ নমুনাৰ সঠিক ফৰমেট আৰু জোখৰ বাবে গাইডলাইনটো সতৰ্কতাৰে পঢ়ক।

৬. ফটো আৰু চহী সফলতাৰে আপলোড কৰাৰ পিছত প্ৰাৰ্থীয়ে অনলাইন আবেদন পত্ৰ 'submit' বুটাম Click কৰি প্ৰ-পত্ৰ দাখিল কৰাৰ পিছত কোনো তথ্য সালসলনি কৰিব নোৱাৰিব আৰু পৰীক্ষা প্ৰক্ৰিয়াৰ পৰৱৰ্তী স্তৰতো কোনো ধৰণৰ তথ্য সংশোধন কৰিব নোৱাৰিব।

৭. Online আবেদন পত্ৰ দাখিল কৰাৰ পিছত প্ৰাৰ্থীসকলে প্ৰ-পত্ৰ খন Save কৰি (ক) System Generated Bank e-challan (ই-চালান) (খ) পঞ্জীয়ন শ্লিপ, আৰু (গ) আবেদন প্ৰ-পত্ৰৰ ছপা কপি উলিয়াই নিজৰ লগত ৰাখিব লাগিব।

৮. (ক) বেংক চালান (খ) পঞ্জীয়ন শ্লিপ,(গ) আবেদন প্ৰ-পত্ৰ ভৱিষ্যতৰ ব্যৱহাৰৰ বাবে প্ৰাৰ্থীসকলক সংৰক্ষণ কৰিবলৈ কোৱা হল। ভৱিষ্যতৰ যোগাযোগৰ বাবে পঞ্জীয়ন নম্বৰ অপৰিহাৰ্য্য । মনত ৰাখিব যে আয়োগৰ কাৰ্য্যালয়লৈ এইবোৰৰ কোনো ধৰণৰ নথি পঠিয়াব নালাগে।

**দ্বিতীয় স্তৰ** – পৰীক্ষাৰ মাচুল ভাৰতীয় ষ্টেট বেংকৰ যি কোনো শাখাতে জমা দিয়াৰ তথ্য আয়োগৰ ৱেবচাইত www.apsc.online.gov.in ত আপলোড কৰিব লাগিব।

(১) পৰীক্ষাৰ মাচুল ভাৰতীয় ষ্টেট বেংকৰ যি কোনো শাখাতে নগদ জমা দিব লাগিব। মাচুল জমা দিবৰ বাবে কম্পিউটাৰৰ পৰা পোৱা System Generated Bank e-Challan অপৰিহাৰ্য্য । প্ৰয়োজনীয় মাচুল জমা দিয়াৰ পিছত বেংকে ই-চালান (e-challan) ত Journal Number এটা প্ৰদান কৰিব আৰু তাৰ এটা কপি প্ৰাৰ্থীক ওভতাই দিব। প্ৰাৰ্থী সকলে e-challan কপিত ষ্টেট বেংকত টকা জমা দিয়া বেঙ্কৰ মোহৰ, ব্ৰাঞ্চৰ ক'ড, Journal Number আদি সঠিকভাৱে অন্তৰ্ভুক্ত হোৱা বুলি নিশ্চিত হব লাগিব। উক্ত টকা জমা দিয়া চালানৰ কপি ভৱিষ্যতৰ ব্যৱহাৰৰ বাবে সংৰক্ষণ কৰি লগত ৰাখিবলৈ প্ৰাৰ্থী সকলক কোৱা হল।

২. প্ৰাৰ্থীসকলে ষ্টেট বেংকত মাচুল জমা দি Journal Number পোৱাৰ পিছত আয়োগৰ ৱেবচাইত www.apsc.online.gov.in লৈ যাব লাগিব আৰু upload payment details লিঙ্কত click কৰিব লাগিব আৰু পিছত Fee Payment Details Page লৈ যোৱাৰ বাবে প্ৰাৰ্থী সকলে নিৰ্দেশ পাব।

৩. Journal Number আপলোড কৰাৰ বাবে পঞ্জীয়ন নম্বৰ আৰু জমাৰ তাৰিখ শুদ্ধভাৱে পূৰণ কৰিব লাগিব । আপোনাৰ কম্পিউটাৰ চিষ্টেমত আপুনি ইতিমধ্যে পূৰণ কৰা প্ৰ-পত্ৰৰ প্ৰয়োজনীয় তথ্য সমূহ দৃশ্যমান হব আৰু বেংকৰ দ্বাৰা প্ৰদত্ত Journal Number টো পূৰণ কৰাৰ বাবে নিৰ্দ্দেশ পাব ।

৪. Journal Number সফল ভাৱে আপলোড কৰাৰ পিছত আপোনাৰ Computer system এ Journal Entry Confirmation Details slip উৎপন্ন কৰিব। প্ৰাৰ্থীসকলে উক্ত slip save কৰি ছপা কপি উলিয়াই লৈ ভৱিষ্যতৰ ব্যৱহাৰৰ বাবে লগত সংৰক্ষণ কৰি ৰাখিব।

৫. Bank Journal Number সফলতাৰে দাখিল হোৱাৰ পিছত অনলাইন প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱা বুলি গণ্য হব।

৬. আবেদন পত্ৰ, বেংক চালান, পঞ্জীয়ন শ্লিপ ইত্যাদি কোনোধৰণৰ তথ্য বা কপি আয়োগৰ কাৰ্য্যালয়লৈ পঠাব নালাগে।

সচিব,
অসম লোকসেৱা আয়োগ,
জৱাহৰনগৰ, খানাপাৰা, গুৱাহাটী-২২.